অসম

কাজিৰঙা দুর্ঘটনাত নিহত ২৩জনৰ পৰিয়ালৰ দায়িত্ব লওক চৰকাৰে: লুৰীণজ্যোতি

ৰঙাজান পথ দুর্ঘটনাত গুৰুতৰভাৱে আহতসকলক শীঘ্ৰে উন্নত চিকিৎসা দিয়াৰ লগতে নিহত ২৩জনৰ পৰিয়ালৰ সম্পূৰ্ণ দায়িত্ব লোৱাৰ দাবী এজেপিৰ।

প্ৰকাশ: ১৩ নৱেম্বৰ ২০২৬, নিশা ৭:২০



কাজিৰঙা: ৰঙাজানৰ পথ দুর্ঘটনাত গুৰুতৰভাৱে আহত লোকসকলক শীঘ্ৰে উন্নত চিকিৎসা প্ৰদান কৰাৰ লগতে নিহত ২৩জনৰ পৰিয়ালৰ সম্পূৰ্ণ দায়িত্ব চৰকাৰে ল'ব লাগে বুলি দাবী জনাইছে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে।

দুর্ঘটনাটোক অত্যন্ত মর্মান্তিক ঘটনা আখ্যা দি গগৈয়ে কয় যে, এতিয়ালৈ ২০জনতকৈ অধিক লোকৰ মৃত্যু হৈছে আৰু বিশেষকৈ বহু ছাত্ৰ-ছাত্ৰী গুৰুতৰভাৱে আহত হৈছে।

> প্ৰশাসন আৰু ব্যৱস্থা পৰিচালনাৰ দায়িত্বত থকা চৰকাৰী বিষয়াসকলে গুৰুতৰভাৱে আহতসকলৰ অতি সোনকালে উন্নত চিকিৎসাৰ ব্যৱস্থা কৰিব লাগে। যোৰহাট চিকিৎসা মহাবিদ্যালয় থকাৰ বাবে প্ৰয়োজনীয় চিকিৎসা সেৱা নিশ্চিত কৰিব লাগে আৰু নিহতসকলৰ সকলো পৰিয়ালৰ দায়িত্ব চৰকাৰে ল'ব লাগিব বুলি গগৈয়ে কয়।

পথ সুৰক্ষাৰ বিষয়টোকো গুৰুত্বসহকাৰে উত্থাপন কৰি অসম জাতীয় পৰিষদৰ সভাপতিগৰাকীয়ে কয় যে, বহুদিন ধৰি এই বিষয়ত আলোচনা চলি আহিছে যদিও গতি-সীমা নির্ধাৰিত অঞ্চলসমূহতো পথ সুৰক্ষা কেনেদৰে নিশ্চিত কৰা হ'ব, সেয়া এতিয়ালৈ সমাধান হোৱা নাই। ৰাষ্ট্রীয় ঘাইপথখনৰ অৱস্থাও সকলোৱে দেখিছে বুলি তেওঁ উল্লেখ কৰে।

মানুহৰ জীৱন আৰু ভৱিষ্যৎ ঘাইপথৰ ওপৰত নির্ভৰশীল বুলি উল্লেখ কৰি তেওঁ ঘাইপথৰ সঠিক ৰক্ষণাবেক্ষণৰ দাবী জনায়। পথ সুৰক্ষাক কেৱল শ্লোগান হিচাপে নাৰাখি ইয়াৰ ফলপ্রসূ ৰূপায়ণৰ বাবে চৰকাৰে কঠোৰ পদক্ষেপ ল'ব লাগে বুলিও তেওঁ কয়।

উল্লেখ্য যে, নাগাঁও-গোলাঘাট পথত চলাচল কৰা এম পি ট্রেভেলছৰ এখন দ্রুতগামী ট্রেভেলাৰে কাজিৰঙা উচ্চ বিদ্যালয়ৰ ছাত্র-ছাত্রীসহ ৩৫জনতকৈ অধিক যাত্রীক লৈ ৰঙাজানত এখন ট্রেইলাৰত খুন্দা মাৰিছিল। ঘটনাস্থলীতে ১২জনৰ মৃত্যু হয়। বিয়লি ৩টা ০৯ মিনিটলৈ মৃতকৰ সংখ্যা ১৬জনলৈ বৃদ্ধি পায় আৰু পাছত ২৩জন হয়। আহতসকলক বোকাখাত অসামৰিক চিকিৎসালয়লৈ নিয়া হয় আৰু সাতজনক যোৰহাট চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত ভর্তি কৰোৱা হয়।

ট্রেভেলাৰখনৰ চালকজনৰ নাম মুজিদ আৰু সহায়কজনৰ নাম শুভ বুলি চিনাক্ত কৰা হৈছে। দুর্ঘটনাটোৰ সঠিক কাৰণ এতিয়াও নির্ণয় হোৱা নাই।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2808/kaziranga-rongajan-road-accident-lurinjyoti-gogoi